


# আপোনাৰ গৰু-মহক বুজক

অধিক যত্ন, অধিক গাখীৰ !

NATIONAL DAIRY DEVELOPMENT BOARD



হে গোমাতা ! আপোনাৰ গাখীৰ আৰু ঘিঁউৰে দুৰ্বলজনক সবল আৰু ৰোগাক্ৰান্ত জনক নিৰোগী কৰি তোলে ! আপোনাৰ হেম্বেলনিয়ে আমাৰ ঘৰ পবিত্ৰ কৰি তোলে তথা সমাজত আপোনাৰ মহিমা বৰ্ণনা কৰা হয়।

- অথৰ্ৱবেদ





# পাতনি

ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদে সদায় আমাৰ দেশৰ ঘাই দুগ্ধ উৎপাদক দুখীয়া আৰু প্ৰান্তীয় কৃষকসকলৰ উন্নতিৰ বাবে কাম কৰি আহিছে। এই কৃষকসকলে সাধাৰনতে মাথো এজনী বা দুজনী খিৰতী গাই ৰাখে আৰু সেই গাখীৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওলোকে জীৱন নিৰ্বাহ কৰে। লাভদায়ক দুগ্ধ ব্যৱসায়ৰ বাবে স্বাস্থ্যবান পশুৰ প্ৰয়োজনীয়তা আজি সকলোৰে জ্ঞাত । সেই কথালৈ লক্ষ্য ৰাখি, ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদে এখন পুস্তিকা ৰছনা কৰিছে যত পশুৰ আহাৰ, স্বাস্থ্য, প্ৰজনন, ঘাঁহ উৎপাদন আৰু সংৰক্ষণ আদি সকলো সন্নিবিষ্ট কৰা হৈছে।

বৈজ্ঞানিক দুগ্ধপালনৰ ওপৰত মৌলিক জ্ঞান থকাৰ উপৰিও, দুগ্ধ উৎপাদকসকলে তেওঁলোকৰ পশুৱে সময়ে সময়ে প্ৰদৰ্শন কৰা সংকেত বিলাক বুজি পোৱাটো অতি গুৰুত্বপূৰ্ণ, যিবোৰ সঠিকভাৱে বুজিলে পশুৰ যত্ন আৰু ব্যৱস্থাপনা, খোৱা, স্বাস্থ্য, পৰিচ্ছন্নতাৰ অভ্যাস, শাৰীৰিক অসুবিধাৰ স্তৰ ইত্যাদি অনুধাৱন কৰিব পৰা যায়।

সেয়েহে পুস্তিকাখন এই লক্ষ্যৰে লিখি উলিওৱা হৈছে যাতে এই সহজে বুজিব পৰা লক্ষণবোৰৰ ওপৰত এক সজাগতা সৃষ্টি কৰিব পৰা যায় । তেতিয়াহলে সেইবিলাকৰ বাবে আগতীয়াকৈ সংশোধনমূলক ব্যৱস্থা ল'ব পৰা যাব, অন্যথা যিবোৰ কেতিয়াবা প্ৰলয়ংকৰীও হ'ব পাৰে।

দুগ্ধ উৎপাদকসকলে তেওঁলোকৰ দুগ্ধপালন পদ্ধতি উন্নত কৰিবলৈ নিৰন্তৰ চেষ্টা কৰি আহিছে। এই পুস্তিকাখন তেওঁলোকৰ বাবে সহায়ক হ'ব।



# সূচীপত্ৰ


এক দৃষ্টিত ১
১. স্বাস্থ্য সংকেত ২
২. শাৰীৰিক সংকেত ৩
৩. গতিবিধি চক্ৰ ৮
৪. প্ৰসৱৰ সময়ৰ সংকেত ৯
I. প্ৰথম পৰ্যায়: প্ৰাক-প্ৰসৱ সংকেত (প্ৰসৱৰ ২ ৪ ঘণ্টা আগৰ পৰা): ৯
(ii) দ্বিতীয় পৰ্যায়: প্ৰসৱ ৰ সংকেত (৩০ মিনিটৰ পৰা ৪ ঘণ্টা): ১০
(iii) তৃতীয় পৰ্যায়: জল সৰা (৩ - ৮ ঘণ্টা) ১০
৫ . নৱজাতক পোৱালীৰ সংকেত ১১
৬. ঠেং আৰু চলনৰ সংকেত ১৩
৭. খুওৱাৰ সংকেত ১৫
৮. পৰিচ্ছন্নতা আৰু ওহাৰৰ বাটৰ স্বাস্থ্য সংকেত ১৬
৯. তাপ সোমোৱাৰ সংকেত ১৭
১০. পশু আবাস সমন্বিত সংকেত ১৭
১১. ছাপ বা বিষৰ সময়ত কণ্ঠস্বৰ ১৯
১২. বিভিন্ন সূচক (স্কোৰ) সমূহ
a. শৰীৰ স্থিতিৰ সূচক ২০
b. পেট ভৰাৰ সূচক ২০
c. পশুৰ সংচালন সূচক ২১
d. পশুৰ ঠেংৰ সূচক ২২
e. গোবৰৰ অবয়ব সূচক ২৩
f. গোৱৰৰ সূচক ২৩
g. ওহাৰৰ বাটাগ্ৰৰ সূচক ২৩
h. পৰিচ্ছন্নতা সূচক ২৪

# এক দৃষ্টিত

এটা পশুৱে বিভিন্ন সংকেতৰ জৰিয়তে ইয়াৰ শৰীৰৰ অৱস্থা/কল্যাণৰ বিষয়ে জনাব পাৰে যাৰ দ্বাৰা কৃষকসকলে জ্ঞাত বা অজ্ঞাতভাৱে পশুটিৰ স্বাস্থ্য ভাল বা বেয়া বুলি ব্যাখ্যা কৰে।

এই সংকেতবোৰ বুজি পোৱাতো বহুত গুৰুত্বপূৰ্ণ , কাৰণ এইবিলাক সময়ৰ লগত বৰ্তি আহিছে আৰু এই বিলাক পৰিমাপ কৰিবও পাৰি। এই বিলাকে কৃষকজনৰ মনত তেওঁৰ পশুৰ স্বাস্থ্য সম্পৰ্কে এক 'আন্তৰিক অনুভূতি' বিকশিত কৰে যাৰ দ্বাৰা পশুটিৰ অৱস্থাৰ সমন্ধে সঁচা অনুমান কৰিব পাৰি।

বিভিন্ন সংকেতবোৰে প্ৰৱন্ধনৰ বিভিন্ন দিশ প্ৰতিফলিত কৰে যেনে খোৱা, আৱাস, স্থানৰ উপলব্ধতা, নিত্য ক্ৰমৰ পৰিৱৰ্তন, স্বাস্থ্য, চাফ-চফাই আৰু স্বাভাৱিক শৰীৰতত্ব আদি । এই সংকেতবোৰৰ যিকোনো বিচ্যুতি গুৰুত্বসহকাৰে চোৱা উচিত তথা পশুচিকিৎসা ব্যৱস্থাপনা কৰা উচিত।

এনে সংকেতবোৰৰ সাৰাংশ তালিকা আৰু সেইবোৰৰ প্ৰাসংগিকতা তলৰ তালিকাত দিয়া হৈছে।


| ক্ৰম সংখ্যা | সংকেত | প্ৰাসঙ্গিকতা |
|---|---|---|
| 1 | স্বাস্থ্য | খোৱা আৰু ব্যৱস্থাপনা পদ্ধতি সূচায় |
| 2 | শৰীৰতত্ব | সাধাৰণ স্বাস্থ্য, খোৱাৰ অভ্যাস, ৰোগ, বিপাকীয় স্থিতি, তাপ সুচাংক/ঠাণ্ডা চাপ,  নিত্যক্ৰমৰ পৰিৱৰ্তন, সুক্ষ্ম তত্বৰ অভাৱ, বাসস্থান, পোক-পতংগৰ উপদ্ৰপ ইত্যাদি। |
| 3 | শৰীৰৰ অৱস্থা | পিয়নৰ সময়ৰ স্তৰ, খোৱাৰ অভ্যাস, বিপাকীয় ৰোগ বা প্ৰসৱৰ সময়ত বা প্ৰসৱৰ পাচত হোৱা সমস্যা আদিৰ সৈতে সম্পৰ্কিত সাধাৰণ স্বাস্থ্য সূচায় |
| 4 | প্ৰসৱ | তাৎক্ষণিক মনোযোগৰ প্ৰয়োজন হোৱা অস্বাভাৱিক চিহ্নবোৰ চিনাক্ত কৰাত সহায় কৰে |
| 5 | সদ্য প্ৰসৱিত  পোৱালি | বিশেষ মনোযোগৰ প্ৰয়োজন হোৱা অস্বাভাৱিক সংকেত চিনাক্ত কৰাত সহায় কৰে |
| 6 | ঠেং আৰু চলন | খোৱা, ভৰিৰ খোৱাৰ ব্যৱস্থাপনা, মজিয়া, গৃহ নিৰ্মাণ আদি সূচায়। |
| 7 | খালি-পেট | ৰোগ, অপৰ্যাপ্ত খোৱা আদি সূচায়। |
| 8 | খাদ্য আৰু গোবৰ | ৰেচন প্ৰস্তুতকৰণ, বিপাকীয় ৰোগ আদিত ভাৰসাম্যহীনতা সূচায়। |
| 9 | চাফ-চফাই | গোহালিৰ পৰিষ্কাৰ পৰিচ্ছন্নতা সূচায় |
| 10 | ওহাৰৰ বাটাগ্ৰ | গাখীৰ খিৰোৱাৰ অভ্যাস সূচায় |
| 11 | তাপ সোমোৱা | তাপৰ ফলত হোৱা চাপৰ স্তৰ সূচায় |
| 12 | পশু আবাস | মজিয়া, বায়ু চলাচল, স্থানৰ প্ৰয়োজনীয়তা, দানা খোৱা পাত্ৰ আৰু ৰেলিঙৰ সঠিক স্থাপন, বৰ্জিত নিষ্কাশন, পতংগৰ প্ৰাৰ্দুভাৱ আদিৰ সন্দৰ্ভত গৃহ ব্যৱস্থাপনা সূচায়। |
| 13 | ছাপ বা বিষৰ সময়ত কণ্ঠস্বৰ | মানসিক স্থিতি, ৰোগৰ স্থিতি আৰু বিষৰ উৎস সূচায় |

# ১.স্বাস্থ্য সংকেত

স্বাস্থ্যৱান পশু এটাই স্বাস্থ্য সংকেতৰ জৰিয়তে ইয়াৰ সুস্থতা প্ৰকাশ কৰে যাক কৃষকে সহজে বুজিব পাৰে।
পশুটোৰ নাকৰ আগতো সদায় শীতল আৰু সেমেকা হ'ব লাগে।
স্বাস্থ্য সংকেত সমুহৰ এক চমু বিৱৰণ তলত দিয়া হৈছে:

| বিৱৰণ | স্বাস্থ্য সংকেত |
|---|---|
| নাকৰ আগ | শীতল আৰু সেমেকা, সঘনাই চেলেকি থাকে |
| চকু | উজ্জ্বল, পৰিষ্কাৰ, চকুপানী বা ফেচকুৰি ওলাই নথকা |
| উশাহ | নিয়মীয়া হ'ব লাগে আৰু উশাহ লওতে অসুবিধা পাব নালাগে |
| ছাল | চকাচক, পৰিষ্কাৰ আৰু শোতোৰা নপৰা, চিকৰা আৰু ওকনিৰ তথা অন্যান্য পৰজীৱীৰ পৰা মুক্ত। ছালৰ ৰং পৰিবৃত্তন খনিজ অভাৱৰ ইংগিত। ভোবোৰা নোমৰ ছাল হৈছে পলুৰ সংক্ৰমণৰ ইংগিত। |
| অবয়ব | প্ৰজাতিটোৰ গড় ওজন; দুৰ্বল বা ক্ষীণ হ'ব নালাগে |
| চলাচল | খোজ কঢ়া সহজ আৰু দোপ মুক্ত হ'ব লাগে। চালচলন ধীৰ বা অসমচালিত হব নালাগে। পশুটি বহিবলৈ লওতে কোনো কুঁজ বা অস্বাভাবিকতা থাকিব নালাগে তথা সহজে বহি থকা স্থানৰ পৰা উঠিবলৈ সক্ষম হ'ব লাগে।<br>সাধাৰণ চালচলনত থকা এটা পশুৱে খোজ কাঢ়ি থাকোঁতে আগৰ পদচিহ্নতে পিছ ভৰি কেইটাও ৰাখে, কিন্তু লেঙেৰা পশুৰ ক্ষেত্ৰত ইয়াৰ তাৰতম্য ঘটা দেখা যায়। |
| ওহাৰ | মাথো ওহাৰৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই ভাল ওহাৰ বুলি কব পৰা নাযায়। প্ৰকট দুগ্ধ সিৰাৰ সৈতে ওহাৰখন সামান্য ভাবে আগলৈ বহা হব লাগে আৰু ওলমি যোৱা নতুবা বেছি মঙহাল হব নালাগে। গাইজনীয়ে খোজকাঢ়োতে ওহাৰখন বেছিকৈ কাষলৈ ডুলিব নালাগে। |
| আচৰণ | কৌতূহলী, সতৰ্ক আৰু সন্তোস্ট;<br>পশু জাকৰ পৰা পৃথক হৈ থিয় হ'ব নালাগে,<br>নিৰুৎসাহী বা খঙত থকা যেন লাগিব নালাগে। |
| শৰীৰ অৱস্থাৰ সূচক (স্কোৰ) | ই পশুটোৰ স্বাস্থ্যৰ এক গুৰুত্বপূৰ্ণ সূচক। ভাল স্বাস্থ্যৰ পশু এটাৰ<br>শৰীৰ অৱস্থাৰ সূচক (স্কোৰ) ২-৩ ৰ মাজত থাকে (খিৰতি অৱস্থাৰ স্তৰ আৰু গৰ্ভধাৰণৰ স্থিতিৰ ওপৰত আধাৰিত কৰি) |

পৰামৰ্শ: পশুটোৰ ওজন অনুমান কৰিবলৈ:
নিম্নলিখিত সূত্ৰৰ দ্বাৰা পশু এটাৰ শৰীৰৰ ওজন অনুমান কৰিব পাৰি:
শৰীৰৰ ওজন (কেজি) = (বুকুৰ পৰিমাপ (C) ইঞ্চি)2 X শৰীৰৰ দৈৰ্ঘ্য (AB) ইঞ্চি
-----------------------------------------------------
৬৬০



# 2.শাৰীৰিক সংকেত

শাৰীৰিক সংকেতবোৰে জীৱ-পশুৰ ক্ষেত্ৰত হোৱা স্বাভাৱিক শাৰীৰিক প্ৰক্ৰিয়াবোৰ প্ৰতিফলিত কৰে। স্বাভাৱিক মাপসমূহে পশুটি স্বাস্থ্যৱান হৈ থকাতো বুজায়। স্বাভাৱিক মাপৰ পৰা যিকোনো বিচ্যুতি দেখা পালে পশু চিকিৎসকৰ পৰামৰ্শ লব লাগে। শাৰীৰিক উষ্ণতা, শ্বাস প্ৰক্ৰিয়া আৰু পাগুলা কাৰ্য্য (ৰুমিনেচন) সদায়ে স্বাভাৱিক পৰিসৰৰ ভিতৰত থাকিব লাগে।

শাৰীৰিক সংকেতবোৰৰ চমু বিৱৰণ তলত দিয়া হল:

| | কি জানিব লাগে | কি অস্বাভাৱিক | সম্ভাৱ্য কাৰণসমূহ |
|---|---|---|---|
| শাৰীৰিক উষ্ণতা | শৰীৰৰ স্বাভাৱিক উষ্ণতা হৈছে ৩৮ ৰ পৰা ৩৯ °C (১০১.৫ ± ১) ৰ মাজত।<br>শৰীৰৰ উষ্ণতা সাধাৰনতে ৰাতিপুৱা বা সন্ধিয়া/ৰাতি লব লাগে। | উচ্চ তাপমাত্ৰা (জ্বৰ)।<br>লগতে দ্ৰুত গতিত উশাহ লয়, কঁপি থাকে আৰু মাজে মাজে ডায়েৰিয়া হব পাৰে।<br>কাণ, শিং আৰু ভৰি সাধাৰণতে ঠাণ্ডা পৰে অথচ শৰীৰ অত্যাধিক গৰম হয়। | ৰোগ সংক্ৰমন<br>তাপ চাপ,<br>অতিশয় উত্তেজিত হোৱা (হাইপাৰ এক্সাই টেবিলিটি) |
| | | নিম্ন তাপমাত্ৰা (হাইপোথাৰ্মিয়া) | হাইপোকেলচিমিয়া (দুগ্ধ জ্বৰ)<br>সংক্ৰমণ/বিষক্ৰিয়াৰ পৰিনিতিত হোৱা গুৰুতৰ শ্বক/আঘাট<br>অত্যাধিক ঠাণ্ডাত থাকিলে |
| শ্বাস প্ৰক্ৰিয়া | প্ৰাপ্তবয়স্ক পশুৰ ক্ষেত্ৰত স্বাভাৱিক শ্বাস-প্ৰশ্বাস হৈছে প্ৰতি মিনিটত ১০-৩০ বাৰ (উশাহ লোৱা + নিশ্বাস এৰা) গৰু পোৱালিৰ ক্ষেত্ৰত প্ৰতি মিনিটত ৩০-৫০ বাৰ | . শ্বাস-প্ৰশ্বাসৰ হাৰ বৃদ্ধি | জ্বৰ<br>তাপ চাপ<br>পশুটিয়ে বিষ অনুভৱ কৰিছে নতুবা উত্তেজিত হৈ আছে |
| | পশুটোৰ শ্বাস-প্ৰশ্বাস ভালকৈ নিৰিক্ষণ পাচফালৰ পৰা সোঁ পেটেদি কৰিব পাৰি, | . শ্বাস-প্ৰশ্বাসৰ হাৰ হ্ৰাস | দুগ্ধ জ্বৰ<br>শ্বক |
| | | . কষ্টকৰ শ্বাস-প্ৰশ্বাস | নাকৰ পথত অৱৰোধ<br>শ্বক |



পৰামৰ্শ: ডিজিটেল থাৰ্মোমিটাৰ ব্যৱহাৰ কৰি মলদ্বাৰত তাপমাত্ৰা লোৱা
১. ব্যৱহাৰৰ আগতে ডিচপ্লে স্ক্ৰিনৰ ৰিডিং "শূন্য" হোৱাটো নিশ্চিত কৰক।
২. থাৰ্মোমিটাৰটোৰ আগটো সামান্যভাবে হেলনিয়া কৰি মলদ্বাৰত সুমুৱাওক যাতে ই মলদ্বাৰৰ বেৰ স্পৰ্শ কৰে।
৩. কমেও ১ মিনিটৰ বাবে এইদৰেই ৰাখক।
৪. থাৰ্মোমিটাৰটো পৰিষ্কাৰ কৰি মচি দিয়ক



পৰামৰ্শ: শ্বাস-প্ৰশ্বাস নিৰীক্ষণ কৰা
১. নিশ্চিত কৰক যে পশুটো শান্ত হৈ আছে
২. পশুটোৰ পিছফালে সুৰক্ষিত দূৰত্বত থিয় হওক।
৩. পশুটোৰ সোঁফালৰ পেটৰ পিনৰ পৰা (Flank) পেটৰ উঠা-নমা লক্ষ্য কৰক (কাড়ৰ দিশত)।

| | কি জানিব লাগে | কি অস্বাভাৱিক | সম্ভাব্য কাৰণসমূহ |
|---|---|---|---|
| পাগুলা কাৰ্য্য | • পশুৱে প্ৰতিদিনে ৭-১০ ঘণ্টা পাগুলে।এবাৰ পাগুলোতে ১০- ৬০ মিনিটকৈ লাগে, মুঠ ৫-২৫ টা পাগুলা চক্ৰত এইয়া সমাপন হয়।<br>• পাগুলোতে ৪৫ -৬০ ছেকেণ্ডৰ ভিতৰত ৪০-৭০ বাৰকৈ চোবায়।<br>• পেট (ৰুমেন)ৰ গতিশীলতা প্ৰতি মিনিটত ১-৩ হাৰত হয় | • পাগুলা কাৰ্য্য হ্ৰাস | • অসন্তুলিত ৰেচন<br>• ৰেচনত অধিক মাত্ৰাত দানা থাকিলে<br>• কম আঁহ যুক্ত ৰেচন<br>• অপৰ্যাপ্ত ৰেচন<br>• অন্যান্য ৰোগ |
| | | • (ৰুমেন)ৰ গতিশীলতা হ্ৰাস | • দুগ্ধ জ্বৰ<br>• আম্লিকতা (এচিডোচিছ)<br>• সংক্ৰমণ |
| খোৱা | • পশুৱে প্ৰতিদিনে প্ৰায় ৫ ঘন্টা খোৱাত ব্যস্ত থাকে।<br>• ১০-১৫ বাৰ আহাৰ গ্ৰহন কৰি এই খোৱাখিনি সম্পূৰ্ণ কৰে।<br>• পেট (ৰুমেন) ভৰ্তি স্কোৰ খিৰতী অৱস্থাৰ স্তৰ সৈতে খাপ খাব লাগে। (পেট ভৰ্তিৰ স্কোৰ চাওক) | • নিম্ন পেট (ৰুমেন) ভৰ্তি স্কোৰ<br>• খোৱা সময় হ্ৰাস | • অপৰ্যাপ্ত ৰেচন বা ৰুগীয়া পশু |
| | | • বিকাৰ গ্ৰস্ত খোৱাৰ অভ্যাস<br>• (বোকা খায় বা মুখৰ আগত পোৱা যি কোনো বস্তুকে খায়) | • ফছফৰাছৰ অভাৱৰ পৰিচায়ক (পিকা) |
| খোৱা পানী | • পশুৰ বাবে পৰিষ্কাৰ খোৱা পানী সকলো সময়তে 24 X 7 উপলব্ধ হোৱা উচিত<br>• প্ৰতি লিটাৰ গাখীৰ উৎপাদণৰ বাবে প্ৰায় 3-5 লিটাৰ পানীৰ প্ৰয়োজন<br>• পানীৰ প্ৰয়োজনীয়তা গ্ৰীষ্মকালত যথেষ্ট বৃদ্ধি হয় | • গাখীৰ উৎপাদন<br>• হ্ৰাস পায়<br>• কোষ্ঠকাঠিন্য<br>• পশুটিয়ে পানী নাই খোৱা | • পৰ্যাপ্ত পৰিমাণৰ পৰিষ্কাৰ পানী সকলো সময়তে 24 X 7 উপলব্ধ নহয়<br>• বোকা, গোবৰ বা শেলাই মিশ্ৰিত লেতেৰা দুৰ্গন্ধযুক্ত পানী<br>• পানীত পোক-পতংগ থাকিলে |
| | | • আৱদ্ধ পানী থাকিলে<br>• (পশুটিয়ে অত্যাধিক পানী পিয়াৰ ফলত হিমগ্লোবিনোৰিয়া হব পাৰে - কফি ৰঙৰ প্ৰস্ৰাৱ) | • পশু দীঘলীয়া সময়ৰ বাবে পানীৰ পৰা বঞ্চিত হৈ থাকিলে |



- পৰামৰ্শ: পেট (ৰুমেন) ৰ গতিশীলতা জুখিবলৈ
- 1. পশুটোৰ বাওঁ ফালে পেট (ৰুমেন) ৰ সোমোৱা ঠাইখিনিৰ ওপৰত মুঠি এটা ৰাখক।
- 2. মুঠিৰ ওপৰত অলপ চাপ প্ৰয়োগ কৰক আৰু প্ৰায় এক মিনিট ধৰি ৰাখক।
- 3. পেট (ৰুমেন) সংকোচন হ'লে মুঠিটো পিছলৈ ঠেলি দিব।

- আপুনি জানেনে ?
- এজনী প্ৰাপ্তবয়স্ক গৰুৰ পেটে (ৰুমেন) ১০০-১৫০ লিটাৰ পানী ধৰি ৰাখিব পাৰে।

**মলত্যাগ**

| কি জানিব লাগে | কি অস্বাভাৱিক | সম্ভাৱ্য কাৰণসমূহ |
|---|---|---|
| • প্ৰতিদিনে প্ৰায় ১০-২৫ বাৰ গোবৰ ত্যাগ কৰে।<br>• গোবৰৰ পৰিমাণ শৰীৰৰ ওজনৰ ওপৰত আধাৰিত হয়<br>• ৩৫০-৪০০ কিলোগ্ৰাম ওজনৰ এটা পশুৱে দিনে প্ৰায় ২০-২৫ কিলোগ্ৰাম গোবৰ নিষ্কাশন কৰে<br>• গোৱৰৰ অৱস্থাৰ সূচক প্ৰায় ৩ হ'ব লাগে (গোৱৰৰ অৱস্থাৰ সূচক চাওক) | • গোবৰ কৰাৰ সঘনতাৰ হ্ৰাস / গোবৰৰ পৰিমাণ হ্ৰাস / কোষ্ঠকাঠিন্য / অতিশয় টান গোবৰ<br>• ডায়েৰিয়া<br>• পেট ফুলা | • দুগ্ধ জ্বৰ<br>• কিটোচিছ<br>• অপৰ্যাপ্ত পানী গ্ৰহণ<br>• বিষক্ৰিয়া<br>• অন্ত্ৰনলীৰ সংক্ৰমণ<br>• আভ্যন্তৰীণ পৰজীৱী<br>• লেক্টিক এচিডোচিছ (ফেনযুক্ত, হালধীয়া-মুগা বৰনৰ গোবৰ)<br>• জন'চ ৰোগ (Johne's disease) (গোবৰত বৃহৎ সংখ্যাত গেছৰ বুদবুদ থাকে)<br>• খাদ্যৰ হঠাৎ পৰিৱৰ্তন, বিশেষকৈ মাহজাতীয় শস্যৰ<br>• আভ্যন্তৰীণ পৰজীৱী |
| • শামুক থকা পানী ভৰ্তি এলেকাবোৰত এম্ফিষ্টোম আৰু চিষ্টোছোমৰ উচ্চ সম্ভাৱনা থাকে, যি বিলাকৰ বাবে বিশেষ চিকিৎসাৰ প্ৰয়োজন হয় | • ফেনযুক্ত ডায়েৰিয়া,<br>• ডিঙিত পানীৰ টোটোলা বনে<br>• ডায়েৰিয়া, ওজন হ্ৰাস, ৰক্তহীনতা; গোবৰ কৰাৰ পাচত তেজ দেখা যাব পাৰে | • এম্ফিষ্টোমচ<br>• চিষ্টোচমিয়াচিছ (সচৰাচৰতে গুপ্ত ৰূপত এই ৰোগৰ সংক্ৰমণ দেখা যায়, পশুৰ শাৰীৰিক বিকাশ আৰু উৎপাদনশীলতাও হ্ৰাস পায়।) |
| • কিটোচিছ/দুগ্ধ জ্বৰ আদিৰ ফলত পোৱালি হোৱাৰ পিছত দানা খোৱাৰ হাৰ হ্ৰাস হোৱাৰ পৰিণতিত পশুৰ সৰুপেটৰ ( এবমেচাম') স্থানচ্যুতি হ'ব পাৰে | • ব্যতিক্ৰমীভাৱে তৈলাক্ত বা পেস্ট জাতীয় গোবৰ, স্পষ্টতঃ পাতল তেলৰ আৱৰণে আৱৰি থাকে | • এবমেচাম'ৰ স্থানচ্যুতি (বাওঁফাললৈ) |
| • খোৱা আৰু প্ৰৱন্ধনত আকস্মিক পৰিৱৰ্তন হলে, অপৰ্যাপ্ত পানী গ্ৰহণ, পৰজীৱীৰ সংক্ৰমণ, দাঁতৰ অস্বাভাৱিকতা, মোটা খাদ্য, অত্যাধিক কিণ্বনযোগ্য খাদ্য ইত্যাদিয়ে অন্ত্ৰত বাধাৰ সম্ভাৱনা সৃষ্টি কৰিব পাৰে | • গোবৰ কৰোতে অসুবিধা পায়, তেজৰ সৈতে শ্লেষ্মা | • অন্ত্ৰৰ বাধা |
| • গোৱৰৰ সূচক ১ খিৰতী তথা গাখীৰচেৰা গাইৰ বাবে গ্ৰহনযোগ্য (গোৱৰৰ সূচক চাওক) | • গোবৰত হজম নোহোৱা কণা (1-2 চেমি) | • বদহজম<br>• অন্ত্ৰৰ সংক্ৰমণ |
| | • গোবৰত দেশলাই কাঠিৰ আকাৰৰ খাদ্যৰ টুকুৰা | • দাঁত/ পাকস্থলীৰ ৰোগ |

| জানিব লগীয়া কথা | অস্বাভাৱিক কি | সম্ভাৱ্য লক্ষণ |
|---|---|---|
| • দিনটোত সাধাৰণতে ১০ বাৰলৈ প্ৰসাৰ হব পাৰে।<br>• প্ৰসাৰৰ পৰিমাণ পশুৰ দেহৰ ভৰৰ ওপৰত নিৰ্ভৰ কৰে।<br>• ৩৫০-৪০০ কি: গ্ৰা: ওজনৰ এটা পশুৱে দিনত ৮.৫- ১০ লিটাৰ পৰ্যন্ত প্ৰসাৰ নিষ্কাষণ কৰিব পাৰে। | • প্ৰসাৰৰ পৰিমাণ হ্ৰাস। | • দুগ্ধজ্বৰ |
| | • প্ৰসাৰৰ ৰং পৰিবৰ্তন। | • ওহাৰত পানী জমা হোৱা বেমাৰ।মুত্ৰাশয়ৰ সংক্ৰমন। |
| | • প্ৰসাৰ কৰিবলৈ কষ্ট হোৱা। | • মুত্ৰাশয়ৰ পাথৰ।<br>• বৃক্কৰ বিভিন্ন সমস্যা। |

| | | |
|---|---|---|
| • পোৱালী জন্ম দিয়াৰ ১-২ মাহৰ পিছত সৰ্বাধিক দুগ্ধ উৎপাদন দেখা যায়<br>• প্ৰাপ্তবয়স্ক গাই গৰুৰ তুলনাত চেউৰী গৰুয়ে প্ৰথম পিয়নত ৭৫% আৰু দ্বিতীয় পিয়নত ৯০% পৰ্যন্ত দুগ্ধ উৎপাদন কৰে। | . হঠাতে উৎপাদন কমি যোৱা | • গাখীৰ খিৰোৱা সময় আৰু মানুহ সলনি হোৱা (মহৰ ক্ষেত্ৰত এই সমস্যা সঘনাই দেখা যায়)<br>• প্ৰতিকূল বতৰ।<br>• খাদ্য অথবা খাদ্যভ্যাসৰ পৰিবৰ্তন।<br>• পশু গৰম হোৱাৰ সময়।<br>• কিটোচিছ,<br>• দুগ্ধজ্বৰ। |
| | • গাখীৰৰ ৰং সলনি হোৱা | • ওহাৰ ফুলা ৰোগ।<br>• ফছফৰাছ- হীনতা<br>• ওহাৰত হোৱা ঘাঁ। |
| | • গাখীৰত চৰ্বি/ ফেটৰ মাত্ৰা % কমি যোৱা | • গুপ্ত প্ৰকাৰৰ ওহাৰ ফুলা ৰোগ।<br>• অতি দুৰ্বল অথবা শকত পশু<br>• উচ্চ শক্তি বৰ্ধক খাদ্য।<br>• সেউজীয়া ঘাঁহৰ নাটনি। |
| | • SNF % কমি যোৱা। | • গুপ্ত ৰূপত ওহাৰ ফুলা ৰোগ।<br>• কমশক্তিবৰ্ধক খাদ্য<br>• অতিমাত্ৰা গৰম বা তাপ<br>• কম পৰিমাণৰ খাদ্য যোগান<br>• খাদ্যত আহযুক্ত খাদ্যৰ মাত্ৰা তথা গুণৰ হ্ৰাস পোৱা |

- জানেনে….
- ১ লিটাৰ গাখীৰ উৎপাদন কৰাৰ বাবে সাধাৰণতে ৫০০ লিটাৰ তেজ ওহাৰৰমাজেৰে চলাচল কৰিব লগা হয়।

| জানিব লগীয়া কথা | অস্বাভাৱিক কি | সম্ভাব্য লক্ষণ |
|---|---|---|
| • পশু প্ৰথম গৰম হোৱা বয়স:-<br>• - বৰ্ণসংকৰ প্ৰজাতি- ১৮ মাহ।<br>• - থলুৱা প্ৰজাতি – ২.৫ বছৰ<br>• - মহ- ২.৫ বছৰৰ পৰা ৩ বছৰ।<br>• মহৰ ক্ষেত্ৰত গৰম হোৱা লক্ষণ বৰ স্পষ্ট নহয়।<br>• পোৱালি জন্ম হোৱাৰ ৪০ দিন পিছত প্ৰথম গৰমত আহে। | • উপযুক্ত বয়স হোৱাৰ পিছতো গৰম নোহোৱা | • পুষ্টিহীনতা<br>• খনিজ পদাৰ্থহীনতা<br>• পেলুৰ সমস্যা<br>• সুপ্ত ঋতুচক্ৰ (সাধাৰণতে মহৰ ক্ষেত্ৰত)<br>• শৰীৰ গঠনত সমস্যা।<br>• বংশগত দোষ। |
| • বাৰে বাৰে হেম্বেলিয়াই থকা, যোনীদ্বাৰ ফুলি উঠা, যোনিৰে পৰিষ্কাৰ, বিজলুৱা তৰল পদাৰ্থ বাহিৰ হোৱা, ঘনাই প্ৰস্ৰাৱ কৰা, আন গৰুৰ গাত জঁপিয়াই উঠা ইত্যাদি গৰম হোৱাৰ মুখ্য লক্ষণ | • বাৰে বাৰে কৃত্ৰিম গৰ্ভাধান (AI) কৰাৰ পিছতো গৰ্ভধাৰণ নোহোৱা | • গৰ্ভাশয়ৰসংক্ৰমণ।<br>• হৰমনৰ সমস্যা।<br>• গঠন সম্বন্ধীয়।<br>• বংশগত দোষ। |
| | • পোৱালি জন্ম দিয়াৰ পিছত গৰম নোহোৱা | • শক্তিহীনতা।<br>• খনিজ পদাৰ্থৰ অভাৱ। |

| | | |
|---|---|---|
| • খোৱা খাদ্যৰ ওপৰত নিৰ্ভৰ কৰি গৰুৱে দিনত ৪০-১৫০ লিটাৰ পৰ্যন্ত লেলাৱতী নিঃসৰণ কৰে। | • লেলাৱতীৰ পৰিমাণ বৃদ্ধি হোৱা। ফেন যুক্ত লেলাৱতীৰ নিঃসৰণ | • খাদ্যত মোটা-খহটা পদাৰ্থ দিয়া।<br>• মুখ আৰু জিভাৰ ঘাঁ।<br>• চবকা।<br>• বিষক্ৰিয়া।<br>• জ্বলাতংক (ৰেবিজ)। |

- প্ৰজননৰ সময়
- গধূলি গৰম হোৱা পশুক পিছদিনা ৰাতিপুৱা প্ৰজনন কৰাব লাগে।
- গৰম হোৱা পশুক সেইদিনাই গধূলি প্ৰজনন কৰাব লাগে।
- কিছুমান পশু এদিনতকৈ বেছি গৰম হৈ থাকিব পাৰে আৰু এবাৰতকৈ বেছি প্ৰজনন কৰাব লগা হব পাৰে।
- কিছুমান পশু কম সময়লৈ গৰম হব পাৰে আৰু সময়তকৈ আগতে প্ৰজনন কৰাব লগা হব পাৰে।


- গৰ্ভধাৰণ নহলে, কেতিয়া পশু চিকিৎসকৰ পৰামৰ্শ লব লগীয়া হয়?
- যেতিয়া ৩ বাৰ প্ৰজনন কৰাৰ পিছতো পশুয়ে গৰ্ভধাৰণ নকৰে তেতিয়া পশু চিকিৎসকৰ পৰামৰ্শ লব লাগে। বাৰে বাৰে প্ৰজনন কৰাৰ ফলত গৰ্ভাশয়ৰ ক্ষতি সাধন হব পাৰে।

- আপুনি জানেনে? গুপ্ত প্ৰকাৰৰ আম্লিকতা (ছাব ক্লিনিকেল এচিডছিছ) কি ?
- কমকৈ লেলাৱতি ক্ষৰণ হলে গুপ্ত প্ৰকাৰৰ আম্লিকতা (ছাব ক্লিনিকেল এচিডছিছ) হব পাৰে যাৰ ফলত খাদ্য গ্ৰহণ কমি যায়, ওজন হ্ৰাস হয়, কাৰন নোহোৱাকৈ হোৱা হাগণি আৰু দুৰ্বলতা আহে । ইয়াৰ ফলত পশুৱে লেঙেৰাবও (লেমিনাইটিছ) পাৰে।

- হে জাতীয় (খেৰ, ঘাঁহ আদি) খাদ্যই লেলাৱতীৰ পৰিমাণ বৃদ্ধি কৰে আৰু দানাই কম কৰে।

## ৩. কাৰ্য কলাপ চক্ৰ

- পশুজনী কিমান আৰামত আছে সেইটো ক্ৰিয়াকলাপ চক্ৰৰ সহায়ত জানিব পৰা যায়। আৰামত থকা গৰুজনীয়ে সাধাৰনতে স্বাভাৱিক ক্ৰিয়াকলাপ চক্ৰ প্ৰদৰ্শন কৰে।কাৰ্যকলাপ চক্ৰত হঠাতে হোৱা পৰিৱৰ্তন গুৰুত্ব সহকাৰে লক্ষ্য কৰিব লাগে আৰু প্ৰশমিত কৰিব লাগে।
- পশুক তাৰ স্বাভাৱিক কাৰ্যকলাপ প্ৰদৰ্শন কৰিব দিয়া উচিত।
- এটা দিনৰ স্বাভাৱিক ক্ৰিয়া কলাপৰ ধাৰণা তলত চিত্ৰত দেখুওৱা হৈছে:




- আপুনি জানেনে?
- গাইজনী বহি থাকিলে ওহাৰলৈ তেজৰ চলাচল ৩০% বাঢ়ি যায়, যাৰ ফলত গাখীৰৰ উৎপাদন আৰু ওহাৰৰ ৰোগ প্ৰতিৰোধক ক্ষমতা বাঢ়ে।

| অস্বাভাৱিক কি | সম্ভাব্য কাৰণ |
|---|---|
| • অতিমাত্ৰা উত্তেজনা | • সময় সূচী অথবা কামকৰা মানুহ সলনি হলে<br>• মেগনেছিয়ামৰ অভাৱ হলে<br>• স্নায়বিক কিটছিছ হলে।<br>• মাখি অথবা কীট আদিয়ে আমনি কৰিলে<br>• কেন্দ্ৰীয় স্নায়ুজনিত ৰোগ হলে (জ্বলাতংক) |
| • হঠাৎ বহুত বেছি ক্ৰিয়াকলাপৰ পৰিৱৰ্তন। | • দুগ্ধ জ্বৰ।<br>• গুৰুততৰ সংক্ৰমণ।<br>• অনুপযুক্ত খাদ্যৰ ব্যৱস্থা।<br>• পৰ্যাপ্ত স্থানৰ অভাৱ।<br>• অনুপযুক্ত ব্যৱস্থাপনাৰ অনুশীলন (সকলো সময়তে যদি বান্ধি থোৱা থাকে) |

## ৪ . প্ৰসৱৰ লক্ষণ

- প্ৰসৱৰ লক্ষণ সমূহ জানিলে পশু পালকে কেতিয়া পশু চিকিৎসকৰ সহায় লব লাগে জানিব। প্ৰসৱৰ লক্ষণ সমূহ তিনিটা পৰ্যায়ত বিভক্ত কৰিব পাৰি: (i) প্ৰসৱৰ আগৰ লক্ষণ (প্ৰসৱৰ ২৪ ঘণ্টা আগত), (ii) প্ৰসৱ, আৰু (iii) গৰ্ভৰ ফুল সৰা।

।.প্ৰথম পৰ্যায়: প্ৰসৱৰ আগৰ লক্ষণ (প্ৰসৱৰ ২৪ ঘণ্টা আগত):

### বেলেগ লক্ষণ সমূহ:

- গাইজনী আন গাইৰ পৰা আতৰি থাকিব বিচৰা।
- খাবলৈ মন নকৰা হোৱা
- অস্থিৰতা, পেটৰ অংশত আঁচোৰা অথবা লঠিওৱা।
- যোনিখন প্ৰসাৰিত হোৱা অথবা ফুলা।
- ওহাৰ গাখীৰেৰে ভৰি পৰাটো ৩ সপ্তাহৰ পৰা প্ৰসৱৰ কেইদিনমান পিছলৈকে হব পাৰে।
- প্ৰসৱৰ কাৰণে পোৱালিৰ স্থানৰ পৰিবৰ্তন হোৱা কাৰণে গাইজনীৰ পেটৰ আকৃতিৰ পৰিৱৰ্তন হয়।



যোনিৰ পৰা স্বচ্ছ শ্লেষ্মা নিঃসৰণ আৰু ওহাৰ গাখীৰেৰে ভৰি পৰাটো প্ৰসৱৰ প্ৰথম লক্ষণ।

- প্ৰসৱৰ দিনটো কেনেকৈ জানিব?
- প্ৰজননৰ তাৰিখটো লিখি থব লাগে।
- যদি গাইজনী গৰম নহয় তেনেহলে প্ৰজননৰ তিনিমাহ পিছত গৰ্ভৱতী হৈছেনে নাই পৰীক্ষা কৰাই লওক।


- আপুনি জানেনে?
- গৰুৰ গড় গৰ্ভধাৰণ সময় ২৮০-২৯০ দিন আৰু মহৰ ৩০৫-৩১৮ দিন



যোনিখন প্ৰসাৰিত হোৱা অথবা ফুলা।

ıı. দ্বিতীয় পৰ্যায়: প্ৰসৱৰ লক্ষণ (৩০ মিনিটৰ পৰা – ৪ ঘণ্টা)

- জৰায়ুত পানী মোনা দেখা দিয়া সময়ৰ পৰা প্ৰসৱৰ প্ৰক্ৰিয়া আৰম্ভ হয়।
- গৰ্ভত সঠিক স্থানত থকা পোৱালি পানীমোনা ফটাৰ আধা ঘন্টা বা এক ঘণ্টাৰ ভিতৰত জন্ম হয়।
- চেউৰি গৰুৰ ক্ষেত্ৰত ৪ ঘণ্টা পৰ্যন্ত লাগিব পাৰে।
- গৰু জনীয়ে থিয় হৈ অথবা শুই থকা অৱস্থাত প্ৰসৱ কৰিব পাৰে।



*Delivery process begins with appearance of water bag*



*Both the forelimbs and head are seen in normal calving*

**সাৱধান!**

- এক ঘণ্টাকৈ বেছি সময় ধৰি প্ৰসৱ বেদনাত থকা পশুৰ যদি পানী মোনা দেখা নেযায়, তেতিয়া অনতিপলমে পশু চিকিৎসকৰ সহায় লব লাগে।

ııı. তৃতীয় পৰ্যায়: জৰায়ুৰ ফুল সৰা (৩ ঘণ্টা)

- সাধাৰণতে ৩ৰ পৰা ৮ ঘণ্টাৰ ভিতৰত সৰি যায়।



যদি জৰায়ুৰ ফুল ১২ ঘণ্টাৰ ভিতৰত নসৰে তেতিয়া তাক জল নসৰা ৰোগ বুলি কোৱা হয়।

**সাৱধান!**

- জৰায়ুৰ ফুল বলপূৰ্বক উলিওৱাৰ চেষ্টা কৰিব নালাগে কাৰণ প্ৰচুৰ ৰক্তক্ষৰণ হব পাৰে।

## ৫. সুস্থ নবজাতকৰ সংকেত সমুহ

- সুস্থ নবজাতকৰ সংকেত সমুহ জনাতো পশুপালকৰ বাবে নিত্যান্তই দৰকাৰী  যাতে প্ৰয়োজন অনুসৰি সময়োপযোগী ব্যবস্থা লব পাৰে।





- সুস্থ নবজাতক জন্মৰ কেইমিনিট মান পাছতে থিয় হয় আৰু ১-২ ঘন্টাৰ ভিতৰত মাকৰ গাখীৰ খোৱা আৰম্ভ কৰে।
- গাখীৰ খোৱাৰ সময়ত নেজদাল দাণ্ডি লৰাই থকাতো সুস্থতাৰ প্ৰতীক।
- জন্মৰ সময়ত কষ্ট পালে নবজাতকৰ মুৰতো উখহি থাকে, গোটেই গাত বিষ্ঠা লাগি থকিব পাৰে, পশু দুৰ্বল হয় আৰু গাখীৰ খাবলৈ মন নকৰে। এনে নবজাতকক বিশেষ প্ৰতিপালনৰ প্ৰয়োজন হয়।

নবজাতকৰ অনান্য বিসংগতি আৰু তাৰ সাম্ভাব্য কাৰন সমুহ:

| অসুস্থতাৰ সংকেত | সাম্ভাব্য কাৰন |
|---|---|
| দীৰ্ঘকালীন আৰামৰ পাছত উঠায় দিলে ভৰি নোপোনোৱা | সাধাৰনতে অসুস্থতাৰ প্ৰথম লক্ষণ |
| পাছ ঠেঙেৰে নিজৰ পেটত লঠিওৱা | পেটৰ বিষ |
| দাত কৰচি থকা | পেটৰ বিষ/ নিমোনিয়া/পেটচলা/পেট ফুলা যিয়ে গম্ভীৰ ৰূপ লৈছে |

| জানিব লগীয়া কথা | অস্বাভাৱিক কি |
|---|---|
| • থিয় হব নোৱাৰা | • আঠুৰ আঘাত<br>• হাৰ্ডিৰ যোৰ লৰা<br>• নাভিৰ সংক্ৰমন<br>• দুৰ্বলতা<br>• ভিটামিন E/ছেলেনিয়ামৰ অভাৱ ইত্যাদি |
| • চকু কোটৰত সোমাই যোৱা আৰু ছাল শোতোৰা পৰা | • ডায়েৰিয়াৰ পাছত হোৱা পানীৰ অভাৱ |
| • পেট ফুলা আৰু খহতা ছাল/নোম | • অধিক আহ যুক্ত তথা কম শক্তিদায়ক আহাৰ<br>• পেটৰ কৃমি |
| গাখীৰ খোৱাৰ পাছত পেট ফুলা | • ইছফেজিয়েল গ্ৰুভ সঠিক ভাবে বন্ধ নোহোৱা<br>• অধিক গৰম বা ঠান্ডা গাখীৰ খুওৱা<br>• বল প্ৰয়োগ কৰি বা অধিক মাত্ৰাত খুওৱা ইত্যাদি |
| • নাক মুখ শুকাই যোৱা, কান ওলমি যোৱা | • জ্বৰ |
| • ভৰি বহলকৈ মেলি ডিঙি পোনাই থিয় হোৱা | • দীৰ্ঘকালীন নিমোনিয়া |
| | |

### আপুনি জানেনে? নৱজাতক পশুৰ স্বাস্থ্যবান জীৱনৰ ৩ টা মুল স্তম্ভ

- ১. জন্মৰ পাছতেই নাভিৰ সংক্ৰমন ৰোধ কৰিবৰ বাবে টিংচাৰ আয়িদিন লগোৱা
- ২. সময়মতে আৰু উচিত মাত্ৰাত ফেহু খুওৱা
- ৩. কৃমি নিবাৰণৰ সময়সূচী মানি চলা

### আপুনি জানেনে? ইছফেজিয়েল গ্ৰুভ


- ইয়াক ৰেটিকুলাৰ গ্ৰুভ নামেৰেও জনা যায় যি ইছফেগাচৰ নিম্নাংখত অবস্থিত এক মওঁহাল অবয়ব। ইছফেজিয়েল গ্ৰুভ যেতিয়া বন্ধ হয়, ই ইছফেগাচৰ পৰা এটা নলীৰ সৃষ্টি কৰে যিটো গৈ ছিধা এবমেছামত খোল খায়। নৱজাতক তথা পোৱালিৰ পাকস্থলীত কিণ্বন ৰোধ কৰিবলৈ এয়া নিত্যান্তয় প্ৰয়োজনীয়।

## ৬. ঠেং আৰু সংচালন সংকেত


এই সংকেত সমুহে পশু ৰখা মজিয়াখনৰ অবস্থা, জেগাৰ উপলব্ধতা আৰু খাদ্য ব্যবস্থাৰ বিষয়ে আভাষ দিয়ে

### পশুৰ সংচালন স্কোৰ আৰু ঠেঙৰ স্কোৰ এক (১) হোৱা উচিত

| কি জনা উচিত | কি অস্বাভাৱিক | সাম্ভাব্য কাৰন |
|---|---|---|
| • পশুৰ স্বাভাৱিক খোজ-কাটল (সংচালন স্কোৰ ১): পশুয়ে খোজ কাঢ়োতে পিঠিখন চিধা হৈ থাকে চাৰিওখন ঠেঙৰ ওপৰত ভাৰ সমানে ৰাখে, গাঠিবোৰ স্বচ্ছন্দে ঘুৰে আৰু পশুৰ মুৰতো স্থিৰ হৈ থাকে<br>• পাছ ঠেঙৰ স্বাভাৱিক স্থিতি (ভৰিৰ স্কোৰ ১): পিছফালৰ পৰা লক্ষ্য কৰিলে পশুৰ পাছ ঠেং দুখন মেৰুদণ্ডৰ সমান্তৰাল হৈ থাকে কোনো অংশ বাহিৰ ওলাই নাযায় | • যিকোনো প্ৰকাৰৰ পংগুতা (সংচালন আৰু ঠেঙৰ স্কোৰ চাওক) | • উঠা বহা তথা চলাচল কৰিবলৈ পৰ্যাপ্ত স্থানৰ অভাৱ<br>• অধিক মাত্ৰাত দানা খুওৱাৰ ফলত হোৱা লক্ষণ ৰহিত আম্লিকতা (এচিড'ছিছ) |
| | • গোহালিৰ মজিয়াত খোজ কাঢ়োতে আত্মবিশ্বাসৰ অভাৱ | • অতি পিছল মজিয়া |
| | • আঁঠু, কিলাগুটি বা ভৰিৰ ঘাঁ/আঘাত | • অসম বা খহটা মজিয়া |
| | • ভৰিৰ খুৰ অত্যাধিক দীঘল হোৱা | • অনুপযুক্ত খুৰ ব্যৱস্থাপনা |



কোনো পংগুতা নথকা পশুয়ে খোজ কাঢ়োতে পিঠিখন চিধা হৈ থাকে





স্বাভাৱিক পাছ ঠেং খন মেৰুদণ্ডৰ সমান্তৰাল হৈ থাকে কিন্তু আঘাতপ্ৰাপ্ত পাছ ঠেং খন বাহিৰ ওলাই যায় *(arrow)*.







অনুপযুক্ত মজিয়াৰ বাবে হোৱা আঁঠু, কিলাগুটি বা ভৰিৰ আঘাত



উখহা ভৰিৰ 'ডিউক্লু'বোৰ প্ৰভাৱিত
ভৰিৰ ডিউক্লুতকৈ (বহলায়) বেছি দুৰত্বত অৱস্থিত হয়



মৃদু সংক্ৰমণত ভৰিখনৰ উখহা অংশ সমতুল হয়




গভীৰ সংক্ৰমণত ভৰিখনৰ উখহা
অংশ অসমতুল হয়

## ৭. আহাৰৰ সংকেত সমুহ:

- আহাৰৰ সংকেত সমুহে খাদ্য ব্যৱস্থাপনাৰ বিষয়ে সুচায়। যিহেতু খাদ্য যোগানত গো-পালনৰ ৭০% খৰছ হয়, এই আহাৰৰ সংকেত সমুহৰ বিষয়ে অৱগত হ'লে পশুপালক সকলে দুগ্ধ ব্যৱসায়ৰ পৰা হোৱা উপাৰ্জন বঢ়াব পাৰিব।

### গাইজনী গাখীৰতী হোৱাৰ অবস্থা অনুসৰি শৰীৰৰ স্থিতি ('বডি কন্ডিছন স্কোৰ), গোবৰৰ অবয়ব আৰু গোবৰ স্কোৰ হোৱা উচিত

| কি জনা উচিত | কি অস্বাভাৱিক | সাম্ভাব্য কাৰন |
|---|---|---|
| • গাইজনী গাখীৰতী হোৱাৰ অবস্থা অনুসৰি উপযুক্ত পেট ভৰ্তি স্কোৰ (ৰূমেন ফিল্ স্কোৰ) হোৱা উচিত (ৰূমেন ফিল্ স্কোৰ চাওক) | • ৰূমেন ফিল্ স্কোৰ গাখীৰতী হোৱাৰ অবস্থা অনুসৰি নহয় | • বিপাকীয় বা অন্যান্য ৰোগ।<br>• অপৰ্যাপ্ত খোৱা খাদ্য |
| • প্ৰসৱৰ সময়ত গাইজনীৰ বডি কন্ডিছন স্কোৰ (BCS) ৩ৰ ওচৰে পাজৰে হোৱা উচিত (কম বা বেছি নহয়) (বডি কন্ডিছন স্কোৰ চাওক)<br>• প্ৰসৱ আৰু প্ৰসৱৰ পাছত কৰা প্ৰথম কৃত্ৰিম প্ৰজননৰ সময়ত বডি কন্ডিছন স্কোৰৰ ব্যৱধান কেৱল ০.৫ হোৱা উচিত | • নিম্ন বডি কন্ডিছন স্কোৰ | • দুৰ্বল স্বাস্থ্য/দীৰ্ঘম্যাদী ৰোগ<br>• অপৰ্যাপ্ত খোৱা খাদ্য দিয়া |
| | • উচ্চ বডি কন্ডিছন স্কোৰ | • অধিক খোৱা খাদ্য দিয়া |
| • গোবৰৰ অবয়ব স্কোৰ ৩ৰ ওচৰে পাজৰে হোৱা উচিত (গোবৰৰ অবয়ব স্কোৰ চাওক) | • উচ্চ গোবৰৰ অবয়ব স্কোৰ | • খাদ্যত অতিৰিক্ত আঁহ (খেৰ)<br>• হাইপোকেলচিমিয়া (কেলচিয়ামৰ অভাব)<br>• কিটোচিছ |
| | • নিম্ন গোবৰৰ অবয়ব স্কোৰ | • আম্লিকতা (এচিড'ছিছ)<br>• খাদ্যত দানাৰ আধিক্য<br>• দীৰ্ঘম্যাদী অন্ত্ৰ- পাকস্থলীৰ ৰোগ জেডি (JD) ইত্যাদি |
| • গাইজনী গাখীৰতী হোৱাৰ অবস্থা অনুসৰি পাচন/হজম স্কোৰ ২-৩ হোৱা উচিত (গোবৰ স্কোৰ চাওক) | • নিম্ন গোবৰৰ অবয়ব স্কোৰ | • ৰেচন/খাদ্য প্ৰস্তুতকৰণত ভাৰসাম্যহীনতা |



- প্ৰসৱৰ প্ৰথম সপ্তাহত পেট ভৰ্তি স্কোৰ (ৰূমেন ফিল্ স্কোৰ) সাধাৰণতে ২ দেখা যায়, যদি পাছতো ৰূমেন ফিল্ স্কোৰ ২ হয়, ই অপৰ্যাপ্ত খাদ্যৰ গ্ৰহণ সুচায়



- শৰীৰৰ স্থিতি ('বডি কন্ডিছন স্কোৰ) খাদ্য ব্যৱস্থাপনা আৰু পশুৰ জাকটোৰ স্বাস্থ্যৰ সুচক

- আপুনি জানেনে? 'বডি কন্ডিছন স্কোৰ ৩ তকৈ বেছি হোৱা উচিত নহয়
- উচ্চ 'বডি কন্ডিছন স্কোৰ এ (৩ ৰ ওপৰত) কিটোচিছ, যকৃতত চৰ্বি জমা হোৱা , জল/ফুল নসৰা আদিৰ দৰে বিপাকীয় সমস্যা তথা পিছলৈ প্ৰজনন সমস্যা হোৱাৰ সম্ভাৱনাৰ ইংগিত দিয়ে।

## ৮. স্বাস্থ্যবিধি আৰু ওহাৰৰ স্বাস্থ্য সংকেত সমুহ:

- স্বাস্থ্যবিধি আৰু ওহাৰৰ স্বাস্থ্য নিৰুপণে গোহালিৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ স্তৰ আৰু গাখীৰ খীৰোৱা পদ্ধতিৰ বিষয়ে তথ্য প্ৰদান কৰিব।

| কি জনা উচিত | কি অস্বাভাৱিক | সাম্ভাব্য কাৰন |
|---|---|---|
| • স্বাস্থ্যবিধি স্কোৰ ১ হোৱা উচিত: নেজ, পাছ ঠেংৰ নিম্ন অংশ আৰু ওহাৰত শুকান বোকা/ময়লাৰ অবস্থিতি নালাগে, সতেজ বা শুকান চিতিকনি থাকিব পাৰে (স্বাস্থ্যবিধি স্কোৰ চাওক) | • নেজ, পাছ ঠেংৰ নিম্ন অংশ আৰু ওহাৰত শুকান বোকা/ময়লাৰ অবস্থিতি | • পৰ্যাপ্ত স্থানৰ অভাৱ<br>• গোহালিৰ অনুপযুক্ত পৰিষ্কাৰ-পৰিচ্ছন্নতা<br>• গোবৰ বেছি ধিলা বা টান হোৱা |
| • ওহাৰ স্কোৰ ১ হোৱা উচিত: ওহাৰৰ ছালখন মসৃণ হব লাগে, শোতোৰা পৰা হব নালাগে (ওহাৰ স্কোৰ চাওক) | • উচ্চ ওহাৰ স্কোৰ | • গাখীৰ খীৰোৱাৰ অনুপযুক্ত অভ্যাস/প্ৰক্ৰিয়া<br>• গাখীৰ খীৰোৱা যন্ত্ৰৰ অনুপযুক্ত ব্যৱহাৰ |
| | • ওহাৰৰ ছাল ফটা | • শুষ্কতা |



- স্বাস্থ্যবিধি স্কোৰ ১



- ওহাৰ স্কোৰ ১: মসৃণ ছালৰ ওহাৰ

## ৯. গৰমৰ বাবে হোৱা চাপৰ সংকেতসমূহ:

- ফোপনীৰ মানৰ (স্কোৰ) দ্বাৰা গৰমৰ চাপৰ মাত্ৰা নিৰ্ধাৰন কৰিব পৰা যায়। পশু জনীৰ ফোপনীৰ স্কোৰ ২তকৈ বেছি হোৱা উচিত নহয়।

| ফোপনীৰ স্কোৰ | উশাহ/মিনিট | কি সুচায় |
|---|---|---|
| ০ | ৪০ তকৈ কম | স্বাভাৱিক |
| ১ | ৪০-৭০ | সামান্য ফোপনী। মুখৰ লেলাৱতি/বুকুৰ সংছালন দেখা পোৱা নাযায়। ঘন ফোপনী। মুখ বন্ধ থাকে তথা লেলাৱতি দেখা পোৱা যায়। |
| ২ | ৭০-১২০ | ২নং ৰ নিচিনায় কিন্তু মুখ মেলি থাকে, জিভা বাহিৰ নকৰে |
| ২.৫ | ৭০-১২০ | |
| ৩ | ১২০-১৬০ | মুখ মেলি থাকে, এটোপ দুটোপ লেলাৱতী পৰি থাকে। ডিঙিটো দীঘল কৰি মুৰতো উঠায় থাকে। |
| ৩.৫ | ১২০-১৬০ | ৩নং ৰ নিচিনাই, কিন্তু জিভাখন অকন উলিয়াই থাকে। কম সময়ৰ বাবে অধিক মাত্ৰাত লেলাৱতী পৰি থাকে। |
| ৪ | >১৬০ | মুখ খন মেল খাই থাকে, জিভাখন বাহিৰ উলিয়াই থয় আৰু প্ৰচুৰ মাত্ৰাত লেলাৱতী পৰি থাকে। |



ফোপনীৰ স্কোৰ ৩: পশুজনীয়ে মুখ মেলি উশাহ লৈছে আৰু এটোপ দুটোপ লেলাৱতী পৰি আছে

## ১০. গোহালীৰ সংকেতসমূহ:

- কিছুমান গুৰুত্বপুৰ্ণ গোহালী সংকেত আছে যিয়ে পশু জনীৰ আৰামৰ বিষয়ে আভাষ দিয়ে

| বিৱৰণী | জনা উচিত | গুৰুত্ব |
|---|---|---|
| • গোহালীৰ অবস্থিতি | • ওখ ঠাইত হোৱা উচিত | • ই গোহালীটোৰ আশে পাশে পানী জমা নোহোৱা তথা পৰিৰেশতো সেমেকি নথকাকে ৰাখে<br>• মহ-মাখি জাতীয় ৰোগ বিয়পোৱা জীৱবোৰ নিয়ন্ত্ৰনত ৰাখে |
| • গোহালীৰ দিশ | • দিনটোত ৫ ঘন্টাতকৈ অধিক সময় গড় উষ্ণতা ৩০ ডিগ্ৰী ছে তকৈ বেছি হোৱা ঠাইত গোহালীতো পূব- পশ্চিম দিশত হোৱা উচিত | • এনে কৰিলে খাদ্য আৰু পানী দিয়া ঠাইকনত সদায় ছাঁ পৰি থাকিব আৰু পশুৱে ছাঁত আৰামত খাব পাৰিব |
| • গোহালীৰ বেৰ/দেৱাল | • দেৱালবোৰে প্ৰাকৃতিক বায়ু চলাচলত বাধা দিব নালাগে<br>• সাধাৰণতে গৰম ঠাইত দেবালৰ প্ৰয়োজন নাথাকে<br>• কোনো কোনো ঠাইত বেগী বতাহ ৰোধিবৰ বাবে পৰ্শ্চিম দিশত দেবাল এখন দিব লাগে | • দেবালৰ স্থান ঠিক নহলে বতাহ চলাচলত ব্যাঘাত জন্মায় আৰু গৰম কালত গৰমৰ চাপ অধিক বঢ়ায় |



| বিৱৰণী | জনা উচিত | গুৰুত্ব |
|---|---|---|
| | • শীতল অঞ্চলত উত্তৰ-দক্ষিণ দিশৰ গোহালী বেছি উপযুক্ত | • পোনপটীয়াকৈ পৰা সুৰ্যৰ পোহৰে মজিয়াৰ এলেকা শুকানে ৰখাত সহায় কৰিব<br>• চৰণীয়া পশুৰ ক্ষেত্ৰত এই প্ৰণালীটো লাভজনক |
| • ভেনটিলেশ্যন | • গোহালিটোত এমোনিয়াৰ কোনো গোন্ধ থাকিব নালাগে<br>• গোহালীটোৰ কেন্দ্ৰত থিয় হৈ এজন ব্যক্তিয়ে শ্বাসৰুদ্ধ অনুভৱ কৰিব নালাগে<br>• গোহালিত আদৰ্শ বতাহৰ গতিবেগ অতিকমেও ছেকেণ্ডত ১ মিটাৰ হব লাগে। | • পৰ্যাপ্ত বায়ু চলাচলে গৰমৰ চাপ হ্ৰাস কৰে<br>• পৰ্যাপ্ত বায়ু চলাচলে শ্বাস-প্ৰশ্বাস জনিত ৰোগৰ মাত্ৰা হ্ৰাস কৰে |
| • পোহৰৰ ব্যৱস্থা | • গোহালীটোৰ কেন্দ্ৰত বহি পঢ়িব পৰাকৈ পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা থাকিব লাগে | • পশুৰ বাবে দিনত কমেও ৮ ঘণ্টা পৰ্যাপ্ত পৰিমাণৰ পোহৰৰ প্ৰয়োজন |
| • মজিয়া | • এজন ব্যক্তিয়ে খালী ভৰিৰে গৰুৰ গোহালিৰ মজিয়াত আৰামেৰে খোজ কাঢ়িব পাৰিব লাগে<br>• পশুক বহাৰ সামগ্ৰী দিলে, সেইবিলাক মোলায়ম আৰু পিচল নোখোৱা হব লাগে।<br>• ৰবৰৰ মেট দিলে, সেইবিলাক উন্নতমানৰ আৰু উচিত দীঘৰ হব লাগে। | • পশুৰ আৰামৰ স্তৰ উন্নত কৰে<br>• খুৰৰ সমস্যা হ্ৰাস কৰে |
| | • মজিয়াত খুৰ পিছলাৰ কোনো চিহ্ন থাকিব নালাগে | • পিছলাৰ ফলত কঁকালৰ অপূৰণীয় ক্ষতি হ'ব পাৰে আৰু পশুজনী উঠিব নোৱাৰাও হব পাৰে<br>• আত্মবিশ্বাসৰ অভাৱৰ বাবে পশু চলাচল কৰিবলৈ অনিচ্ছুক হ'ব পাৰে ফলত খুৰৰ সমস্যা হোৱাৰ সম্ভাৱনা বৃদ্ধি হয় |
| • গোবৰ-প্ৰস্ৰাৱৰ (বৰ্জিত পদাৰ্থৰ) ব্যৱস্থাপনা | • গোহালিৰ ভিতৰত বা ওচৰত বৰ্জিত পদাৰ্থ জমা হৈ থাকিব নালাগে | • আবৰ্জনাই মহ-মাখিৰ উপদ্ৰৱ বঢ়ায় আৰু পশুৰ উৎপাদনশীলতা হ্ৰাস কৰে |
| • স্থান/জেগাৰ<br>• প্ৰয়োজনীয়তা | • মুকলি আৱাস প্ৰনালীত প্ৰতি জনী বয়স্ক পশুৰ বাবে প্ৰায় ১৬০ বৰ্গফুট এলেকা উপলব্ধ হ'ব লাগে (৪০ বৰ্গফুট আৱৰা এলেকা সহ)<br>• প্ৰতি জনী বয়স্ক পশুৰ বাবে প্ৰায় 2 ফুট দানা দিয়া ঠাই প্ৰদান কৰিব লাগে<br>• প্ৰতি জনী বয়স্ক পশুৰ বাবে ছাঁত প্ৰায় 3 ঘনফুট পানী দিয়া ঠাই প্ৰদান কৰিব লাগে<br>• পশু বহাৰ পৰা উঠিবলৈ মূৰৰ পিনে যথেস্ট ঠাই থাকিব লাগে। | • পশুক ইয়াৰ প্ৰাকৃতিক আচৰণ প্ৰকাশ কৰিবলৈ আৰু মুক্তভাৱে চলাচল কৰিবলৈ সুবিধা প্ৰদান কৰিলে উৎপাদনশীলতা বৃদ্ধি পাব আৰু খুৰৰ সমস্যা নোহোৱা হব |
| • খোৱা জেগা (মেজাৰ) আৰু ৰেলিং | • ডিঙিৰ অঞ্চলত (ওপৰ বা/আৰু তলত) আঘাত/ঘাই মেঞ্জাৰ আৰু/বা ৰেলিং বোৰ উপযুক্ত উচ্চতাত নথকা সূচায়<br>• খোৱা ঠাই মজিয়াতকৈ ১২ চেন্টিমিটাৰতকৈ বেছি ওখ হব নালাগে। | • অধিক গুৰুতৰ ঘাঁৰ ফলত হোৱা বিষৰ বাবে পশুৰ খাদ্য গ্ৰহণৰ মাত্ৰা কমি যাব পাৰে আৰু উৎপাদনশীলতাও হ্ৰাস হ'ব পাৰে<br>• খোৱা ঠাই বেছি ওখ হলে পশুৱে নষ্ট কৰাৰ সম্ভাৱনা থাকে। বেছি চাপৰ হলে, আগৰ ঠেংত পৰা হেচাৰ বাবে খুৰৰ সমস্যা হব পাৰে। |

## ১১) চাপ (Stress) অথবা দুখ পোৱাৰ সময়ত গৰু-মহৰ মুখৰ পৰা ওলোৱা মাত (হেম্বেলিয়াই থকা)

- প্ৰাপ্তবয়স্ক গৰু-মহে কেৱল খাদ্য খোৱাৰ সময়ত, গাখীৰ খীৰোৱাৰ সময়ত , গৰমত অহাৰ সময়ত আৰু পোৱালীটো আতৰাই নিলে অথবা মৰি গলে সাধাৰনতে হেম্বেলিয়াই থাকে। প্ৰয়োজনত উপযুক্ত ব্যৱস্থা লবলৈ সাধাৰনতে হেম্বেলিওৱা আৰু দুখ পোৱাৰ সময়ত হেম্বেলিওৱাৰ মাজত থকা পাৰ্থক্য জনাটো অতি প্ৰয়োজনীয়। দুখ পোৱাৰ সময়ত গৰু-মহৰ মুখৰ পৰা ওলোৱা কিছুমান মাতৰ প্ৰকাৰ তলত উল্লেখ কৰা হৈছে।





| মুখৰ পৰা ওলোৱা মাত | জড়িত পৰিস্থিতি | মহত্ব |
|---|---|---|
| • জোৰেৰে হেম্বেলিয়াই থকা | • মুখ খোল খাই থকা, মুৰটো আগফাললৈ টান খাই থাকে | • পোৱালীক বিছৰা, গাখীৰ খীৰাবলৈ মতা ( গাখীৰ ভৰ্তি ওহাৰ হলে) |
| • চুটিকৈ আৰু ডাঙৰকৈ হেম্বেলিওৱা | • সম্ভাৱিত কাৰনৰ ঠিক পিছতে ( যেনে দুৱাৰত খুন্দা খালে, আঘাত পালে ) মুখ খোল খাই থকা, মুৰটো সাধাৰনতে ওপৰমুৱাকৈ থাকে। | • ভয় অথবা দুখ পালে |
| • অবিৰাম ডাঙৰকৈ হেম্বেলিয়াই থকা | • মানসিক বেমাৰৰ পৰা মুক্ত স্বাস্থ্যৱান প্ৰাপ্তবয়স্ক গাই গৰু | • কামোন্মাদ (nymphomania )ৰ লক্ষণ |
| | • যিকোনো বয়সৰ গৰু-মহৰ মানসিক অসন্তুলন হোৱা বেমাৰৰ লক্ষণে দেখা দিয়া, মাত ভাঙি যোৱা আৰু ককালৰ পিছৰচোৱা অকামিলা হোৱা | • জলাতংকৰ লক্ষণ |
| • চুটিকৈ গুঞ্জন কৰা | • হয় স্বয়ংক্ৰিয় ভাৱে হৈছে (ঠিয় হৈ থাকিলে বা নিম্নগামী গতি কৰিলে) অথবা চাপৰ প্ৰতিক্ৰিয়াৰ বাবে | • পেটত বিষ হোৱাৰ লক্ষণ<br>• যদি বুকুৰ ওপৰ ভাগত বিষ হয় – ৰেটিকোল' পেৰিকাৰ্ডাইটিচ হোৱাৰ লক্ষণ |
| • দীঘলীয়া সময়ৰ বাবে গেঙনিৰ লগতে দীঘলীয়া নিশ্বাস এৰি দিয়া | • স্বয়ংক্ৰিয় বা সামান্য পৰিশ্ৰমৰ পিছত; মুৰ আৰু ডিঙি সম্প্ৰসাৰিত হোৱা, উশাহ-নিশাহ লোৱাত কষ্ট পোৱা | • বুকুৰ ভিতৰত পীড়াদায়ক কোনো অংশ বাঢ়ি যোৱা |
| • উশাহ-নিশাহ লোৱা সময়ত হোৱা নাক বজা, গেঙনি বা গুঞ্জন | • উশাহ-নিশাহ লোৱাত স্পষ্ট ভাৱে কষ্ট পোৱা | • ওপৰৰ শ্বাসনলী ঠেক হৈ যোৱা<br>• নাক ৰন্ধ্ৰিকাৰ ওপৰ অংশত হোৱা ৰোগ যেনে- নাকৰ ভিতৰত হোৱা পেলু/পৰজীৱী (schistosomiasis & rhinosporidiasis ) |
| • কাহি থকা | • খাদ্য নোখোৱাৰ সময়ত শুকান তথা জোৰেৰে হোৱা কাহ | • ওপৰৰ শ্বাসনলী ত হোৱা বেমাৰৰ লক্ষণ |
| | • কমকৈ হোৱা খেকাৰ থকা কাহ | • নিউমোনিয়াৰ লক্ষণ<br>• হাঁওফাঁওত হোৱা পেলু |

## ক. শৰীৰৰ অৱস্থাৰ স্কোৰ (BCS)

| স্কোৰ ১ | স্কোৰ ২ | স্কোৰ ৩ | স্কোৰ ৪ | স্কোৰ ৫ |
|---|---|---|---|---|
|  |  |  |  |  |
| • নেজৰ গুৰিত দ গাত, ছালৰ তলত চৰ্বি নথকা, তপিনাৰ জোঙা হাড়বোৰ জিলিকি থকা | • নেজৰ গুৰিত সামান্য গাত, তপিনাৰ জোঙা হাড়বোৰৰ মুৰবোৰ সামান্য ঘুৰণীয়া, টিকাৰ ফালৰ হাড় জিলিকি থকা | • নেজৰ গুৰিত অতি সামান্য গাত, জোঙা হাড়বোৰৰ মুৰবোৰ ঘুৰণীয়া, তপিনাৰ হাড় জিলিকি থকা | • নেজৰ গুৰিৰ গাতত চৰ্বি ভৰ্তি হোৱা, গাত চৰ্বি জমা হোৱা, তপিনাৰ ওলাই থকা হাড়ৰ মুৰবোৰত চৰ্বি জমা হোৱা | • নেজৰ গুৰিত শকত চৰ্বিৰ প্ৰলেপ, তপিনাৰ ওলাই থকা হাড়ৰ মুৰবোৰ অধিক গোল হোৱা |


- পোৱালী জগাৰ প্ৰথম কেইটামান সপ্তাহত এজনী গৰুৰ স্কোৰ 2 হ'ব পাৰে। গাখীৰ নিদিয়া (শুস্ক) সময়ত, গৰু-মহৰ স্কোৰ ৩ হোৱা উচিত। ৩.৫ ৰ ওপৰত স্কোৰ থকা এজনী গৰু-মহৰ বিপাকীয় আৰু প্ৰজননৰ সমস্যা থাকিব পাৰে।

## খ. পেট ভৰাৰ স্কোৰ

| স্কোৰ ১ | স্কোৰ ২ | স্কোৰ ৩ | স্কোৰ ৪ | স্কোৰ ৫ |
|---|---|---|---|---|
|  |  |  |  |  |
| • কঁকালৰ হাড়ৰ পৰা তললৈ ছালৰ উলম্ব ভাঁজ হোৱা দেখা যায় | • পেটৰ গাতটোৰ ত্ৰিভুজাকাৰ ৰূপ হয় | • ধনুৰ নিচিনা কামিহাড়ৰ পিছফালে পেটৰ গাতটো দেখা পোৱা যায় | • পেটত কোনো গাত দেখা নাযায় | • পেটৰ ছাল গাতৰ বাহিৰলৈ টান খাই থাকে |


- পোৱালী জগাৰ প্ৰথম সপ্তাহত এজনী গৰু বা মহৰ স্কোৰ ২ হ'ব পাৰে। স্কোৰ ৩ হৈছে ভাল খাদ্য গ্ৰহণৰ সৈতে গাখীৰতী গৰু এজনীৰ বাবে দিয়া সঠিক স্কোৰ। স্কোৰ ৪ গৰু-মহৰ গাখীৰ দি থকাৰ শেষৰ ফালে দেখা যায় আৰু পিয়ন এৰোৱা (শুস্ক) গৰুৰ বাবে ৫ স্কোৰ দিব লাগে।

## গ. পশুৰ সংচালন স্কোৰ




### স্কোৰ ১: স্বাভাৱিক

- আত্মবিশ্বাসী হৈ খোজ কাঢ়ে । সমতল পিঠিৰ সৈতে চাৰিওখন ঠেংত ওজন বহন কৰি খোজ কাঢ়ে




### স্কোৰ 2: সামান্যভাবে খোৰালে

- সমতল পিঠিৰ সৈতে থিয় হব পাৰে, কিন্তু খোজ কাঢ়িলে পিঠিখনে ভাজ লয়। চলন অলপ অস্বাভাৱিক। আক্ৰান্ত হোৱা ভৰিটো বা ভৰিবোৰ তৎক্ষণাৎ চিনাক্ত কৰিব নোৱাৰি।




### স্কোৰ 3: মজলীয়া ভাৱে খোৰালে

- থিয় হলে বা খোজ কাঢ়িলে পিঠিখনে ভাজ লয় আৰু এক বা একাধিক ভৰিৰ সহায়ত চুটি খোজ কাঢ়ি অগ্ৰসৰ হয়।



### স্কোৰ 4: বেছিকৈ খোৰালে

- থিয় হৈ থাকিলে বা খোজ কাঢ়িলে পিঠিখনে ভাজ লয়, তথাপিও নিজৰ শৰীৰৰ ওজন বহন কৰিব পাৰে।



### স্কোৰ 5: গুৰুতৰভাৱে খোৰালে


- পিঠিখনে বহুত বেচিকৈ ভাজ লয় । লৰচৰ কৰিবলৈ অনিচ্ছুক হয়, আক্ৰান্ত হোৱা ভৰি টোৰ পৰা প্ৰায় সম্পূৰ্ণ ওজন স্থানান্তৰ কৰে।

আপুনি জানানে ? আক্ৰান্ত হোৱা ভৰি কেনেদৰে চিনাক্ত কৰিব পাৰি ?


- আগ ভৰি: আক্ৰান্ত হোৱা ভৰি টোৱে ওজন বহন কৰিলে মুৰটো ওপৰলৈ ডাঙি দিয়ে আৰু নিৰোগী ভৰিয়ে ওজন বহন কৰিলে মুৰটো তললৈ নামি আহে।
- পিছ ভৰি: আক্ৰান্ত হোৱা ভৰিৰ ওপৰত খোজ পেলাওতে মুৰটো তললৈ দোলা দি যায় আৰু নিৰোগী ভৰিয়ে ওজন বহন কৰিলে মূৰটো ওপৰলৈ যায়।

## ঘ. পশুৰ ঠেংৰ স্কোৰ

- পশুৰ ঠেংৰ স্কোৰ হৈছে ইয়াৰ পিছ ভৰিৰ স্থিতিৰ এক পৰিমাপ।
- ই ঠেংৰ ভিতৰ আৰু বাহিৰৰ নখৰ উচ্চতাৰ পাৰ্থক্যৰ সৈতে সম্পৰ্কিত।
- পশুবোৰে তলুৱাত অৱস্থিত বেদনাদায়ক স্থানৰ পৰা সকাহ পাবলৈ সিহঁতৰ ঠেং বাহিৰৰ ফালে ঘুৰায়। পিছল মজিয়াত খোজ কাঢ়িলে সিহঁতে এইটো কৰাৰ সম্ভাৱনা অধিক হয় কাৰন তেতিয়া সিহঁতি গোৰোহাৰ ওপৰত অধিক ওজন দিয়ে।
- লম্ব (৯0°)ৰ ডিগ্ৰী ঘূৰ্ণনৰ ওপৰত (দুয়োখন ঠেং আৰু গৰুজনীৰ মেৰুদণ্ডৰ সমান্তৰালভাৱে) ভৰিৰ স্কোৰ আধাৰিত হয়।
- স্ক'ৰ ১: ৯0° ৰ পৰা 0° ৰ পৰা ১৭°; এইটো আদৰ্শ পৰিস্থিতি যদিও খুৰৰ সমস্যা এতিয়াও ঘটিব পাৰে।
- স্ক'ৰ ২: ৯0° পৰা ১৭° ৰ পৰা ২৪°,
- স্ক'ৰ ৩:: ৯0° পৰা ২৪° তকৈ অধিক।




## ঙ. গোবৰৰ অৱয়ব স্কোৰ

| স্কোৰ ১ | স্কোৰ ২ | স্কোৰ ৩ | স্কোৰ ৪ | স্কোৰ ৫ |
|---|---|---|---|---|
|  |  |  |  |  |
| • ঢিলা আৰু পানীযুক্ত,<br>• সম্ভৱতঃ খাদ্য/ খাদ্যনলীত<br>• হোৱা<br>• অসুস্থতাৰ বাবে | • কাষ্টাৰ্ডৰ নিচিনা<br>• অৱয়ব, ওপৰৰ পৰা পৰিলে দূৰলৈ ছিটিকি যায়,<br>• ৰেচনৰ ভাৰসাম্যহীনতা সূচিত কৰে। | • ২-৩ চেমি ডাঠ গোবৰৰ<br>• ওপৰত এটা বিন্দুৰ নিচিনা হয়। জোতাত লাগি নধৰে। | • ডাঠ গোবৰ। সুগঠিত হয়<br>• আৰু এটা তৰপৰ ওপৰত আনটো লাগি থাকে।<br>• জোতাত আঠা লাগি ধৰে | • প্ৰায় বলৰ নিচিনা গঠন<br>• হয়। জোতাৰ<br>• চাপ এৰি যায়। |


- গাখীৰতী গৰু-মহৰ বাবে ৩ আদৰ্শ স্কোৰ। চেওঁৰী পোৱালী বা পিয়ন এৰোৱা (শুস্ক) গৰু-মহৰ বাবে ৪ বা ৫ স্কোৰ গ্ৰহণযোগ্য হ'ব পাৰে। ই খাদ্যৰ ভাৰসাম্যহীনতাও সূচায়।

## চ. গোবৰৰ স্কোৰ

| স্কোৰ ১ | স্কোৰ ২ | স্কোৰ ৩ | স্কোৰ ৪ | স্কোৰ ৫ |
|---|---|---|---|---|
| • গোবৰ খিনি ক্ৰীমৰ নিচিনাকৈ<br>• সানমিহলি হৈ থাকে আৰু ইয়াৰ গঠন অতি দুৰ্বল।<br>• গোবৰত কোনোধৰনৰ<br>• হজম নোহোৱা খাদ্য<br>• কণা নাথাকে। | • গোবৰ খিনি ক্ৰীমৰ নিচিনাকৈ<br>• সানমিহলি হৈ থাকে । গোবৰত কিছুমান<br>• হজম নোহোৱা খাদ্য কণা থাকে। | • গোবৰখিনি সানমিহলি হৈ থকাৰ দৰে অনুভৱ নহয়।<br>• হজম নোহোৱা অংশবোৰ<br>• চিনাক্ত কৰিব পাৰি । হাতেৰে গোবৰবোৰ চেপি ধৰাৰ পিছত হাত খুলি দিলে<br>• হাতৰ আঙুলিত হজম নোহোৱা খাদ্য কণা থাকে । | • গোবৰত ডাঙৰ খাদ্য<br>• কণাসমূহ থকাৰ অনুভৱ হব।<br>• হজম নোহোৱা অংশসমূহ<br>• স্পষ্টভাৱে দৃশ্যমান হব।<br>• হাতেৰে গোবৰবোৰ চেপি ধৰাৰ পিছত হাত খুলি দিলে<br>• হাতত হজম নোহোৱা আঁহৰ বলৰ দৰে বনি আছে। | • ডাঙৰ খাদ্য কণা<br>• গোবৰ অনুভৱ কৰিব পাৰি। খাদ্যৰ হজম নোহোৱা<br>• অংশসমূহ<br>• স্পষ্টভাৱে<br>• চিনাক্ত কৰিব পাৰি। |
| • গাখীৰতী আৰু পিয়ন এৰোৱা গৰুৰ বাবে আদৰ্শ স্কোৰ | • গাখীৰতী আৰু পিয়ন এৰোৱা গৰুৰ বাবে গ্ৰহণযোগ্য স্কোৰ | • প্ৰথম পোৱালী দিয়া চেওঁৰী আৰু পিয়ন এৰোৱা গৰুৰ বাবে গ্ৰহণযোগ্য স্কোৰ | • সুষম খাদ্যৰ প্ৰয়োজন | • সুষম খাদ্যৰ প্ৰয়োজন |

## ছ. ওহাৰৰ বাটাগ্ৰৰ স্কোৰ

| স্কোৰ ১ | স্কোৰ ২ | স্কোৰ ৩ | স্কোৰ ৪ |
|---|---|---|---|



| | | | |
|---|---|---|---|
| • বাটাগ্ৰ মসৃণ, অপ্ৰয়োজনীয় কলা (tissue) বিকাশ নাই | • অপ্ৰয়োজনীয় কলা (tissue) বিকাশৰ সৈতে সামান্য খহটা | • কেৰাটিনৰ সৈতে খহটা অপ্ৰয়োজনীয় কলা (tissue) | • কেৰাটিনৰ সৈতে অতি ৰুক্ষ অপ্ৰয়োজনীয় কলা (tissue) আৰু ফাট |

## জ. পৰিস্কাৰ-পৰিচন্নতাৰ স্কোৰ

| পিছফাল (নেজ সহ) | পিছ ভৰিৰ তল ফাল | ওহাৰ |
|---|---|---|



**স্কোৰ -1: পৰিষ্কাৰ**

- কোনো লেতেৰা নাই বা কেৱল কম পৰিমানে কেচা বা শুকান গোবৰ লাগি আছে।



**স্কোৰ -2: লেতেৰা**

- গাত লেতেৰা লাগি আছে (কমেও হাতৰ তলুৱাৰ আকাৰৰ)



**স্কোৰ -3: অতি লেতেৰা**

- গাত বাহুৰ দৈৰ্ঘ্যৰ আকাৰৰ লেতেৰা লাগি আছে





Updated: Assamese/March-2023

National Dairy Development Board
Anand 388001, Gujarat
Phone: 02692-260148, 260149 • Fax: 02692-260157, Website: www.nddb.coop

facebook.com/NationalDairyDevelopmentBoard

www.dairyknowledge.in